
জুবিন গাৰ্গ
G POLY PLAST




আবৃত্তিৰ




আবৃত্তি কলাৰ শিক্ষণ কেন্দ্ৰ
প্ৰয়াস কাব্য কানন, বোকাখাত
প্ৰয়াস


সুৰবৃত্ত
ছন্দ



### আবৃত্তি শিক্ষণ কেন্দ্র প্রয়াস কাব্য কানন

# বোকাখাতত দহ বছৰ পূৰ্তিত বিশেষ অনুষ্ঠান

**কেইবাখনো জাতীয় বিদ্যালয়ৰ ডেৰ শতাধিক শিক্ষাৰ্থীৰ আবৃত্তি পৰিবেশন**

প্ৰতিদিন সেৱা, বোকাখাত, ২১ ডিচেম্বৰ ঃ আজি বোকাখাতত আবৃত্তি শিক্ষণ কেন্দ্ৰ 'প্ৰয়াস কাব্য কানন'ৰ দহ বছৰীয়া ■ ৬ পৃষ্ঠাত


প্রয়াস
কাব্য কানন
vivo T3
12/21/2025, 11:23

জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

...। ১৩৭ সংখ্যা, ৫ পুহ, সোমবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily | VOL. 61 NO. 137 | DIBRUGARH, MONDAY, DECEMBER 22, 2025 | পৃষ্ঠা ১৬ (Pages 16)

### বিশাৰদ ডিগ্ৰী লাভ কৰা ৩০ শিক্ষাৰ্থীক সম্বৰ্দ্ধনা

## বোকাখাতত প্ৰয়াস কাব্য কাননৰ বৰ্ষপূৰ্তি অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

বোকাখাত, ২১ ডিচেম্বৰ ঃ বোকাখাতৰ আবৃত্তি শিক্ষণ কেন্দ্ৰ 'প্ৰয়াস কাব্য কানন'ৰ দহ বছৰীয়া বৰ্ষপূৰ্তিৰ বিশেষ অনুষ্ঠান আজি বোকাখাত জাতীয় বিদ্যালয়ত অনুষ্ঠিত হয়। ২০১৫ চনতে বোকাখাত আৰু কমাৰগাঁৱত একত্ৰে স্থাপন হৈছিল আবৃত্তি শিক্ষণৰ অন্যতম কেন্দ্ৰ 'প্ৰয়াস কাব্য কানন'ৰ। কাননৰ দহ বছৰীয়া পূৰ্তিত ১৩ পৃষ্ঠাত চাওক



## বোকাখাতত প্ৰয়াস কাব্য কাননৰ বৰ্ষপূৰ্তি

আজি বোকাখাত জাতীয় বিদ্যালয় প্ৰাংগনত উপস্থিত হয় কেন্দ্ৰৰপৰা শিক্ষা সমাপ্ত কৰা, বৰ্তমানেও ইয়াৰ শিক্ষাৰ্থী, বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু অন্যান্য গুণগ্ৰাহীসকল। উল্লেখ্য যে বোকাখাত জাতীয় বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত বিশেষ অনুষ্ঠানত প্ৰয়াস কাব্য কানন আবৃত্তি শিক্ষণ কেন্দ্ৰৰ ১০ বছৰীয়া পূৰ্তি উপলক্ষে প্ৰথমে জুবিন গাৰ্গ, ডঃ ভূপেন হাজৰিকা আৰু আবৃত্তিপ্ৰাণ প্ৰয়াত গোলাপ চন্দ্ৰ বৰাৰ প্ৰতিচ্ছবিত প্ৰয়াস অধ্যয়ন চক্ৰৰ স্থায়ী সভাপতি নিজৰা বৰঠাকুৰ আৰু আনান্য অতিথিসকলে বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। ইয়াৰ পাছতে শিক্ষণ কেন্দ্ৰটোৰ কমাৰগাঁও মহাবিদ্যালয়, বোকাখাত জাতীয় বিদ্যালয়, ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়, ৰঙাগড়া আৰু মহুৰামুখ জাতীয় বিদ্যালয়ৰ ডেৰ শতাধিক শিক্ষাৰ্থীয়ে কবিতা আবৃত্তিৰ অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত ডঃ গায়ত্ৰী বৰা কাকতিৰ পৰিচালনাত বোকাখাতৰ কবি সমীৰ তাঁতী, নিজৰা বৰঠাকুৰ, পুতুল হাজৰিকা, দিলীপ ফুকন, ৰফিকুল হুছেইন, মৃদুল বৰুৱা, চেনিৰাম গগৈ, পুলিন শৰ্মা, অজিত গগৈ, জীৱন নৰহ আৰু বিমান দলেৰ কবিতাৰ আলেখ্য পৰিৱেশন কৰে। অনুষ্ঠানতে আবৃত্তি বিষয়ক ডঃ গায়ত্ৰী বৰা কাকতিৰ 'পৰিৱেশ্য কলা আবৃত্তি' গ্ৰন্থখন উন্মোচন কৰে কমাৰগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডঃ বিজুলী বৰচেতিয়াই। একেদৰে গোলাপ চন্দ্ৰ বৰাৰ 'আবৃত্তি শিকোঁ আঁহা' নামৰ গ্ৰন্থখন উন্মোচন কৰে শান্তিছায়া শইকীয়াই আৰু প্ৰয়াস কাব্য কাননৰ দহ বছৰ পূৰ্তিত প্ৰকাশিত এখন ১২পৃষ্ঠাৰ ৰঙীণ পুস্তিকা উন্মোচন কৰে অসমৰ বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক উদ্দেশ্যি অসমৰ বিশিষ্ট আবৃত্তিকাৰ উপম শইকীয়াই আবৃত্তিৰ প্ৰায়োগিক দিশ সম্পৰ্কে আৰু পৰিৱেশ্য কলা হিচাপে আবৃত্তিক বিদ্যালয়, মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বিষয়ে নিজৰ ভাষণত গুৰুত্ব প্ৰদান কৰে। অনুষ্ঠানত আবৃত্তি শিক্ষণ কেন্দ্ৰটোৰপৰা বিগত দহ বছৰত বিশাৰদ ডিগ্ৰী লাভ কৰা ৩০গৰাকী শিক্ষাৰ্থীক বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। আজিৰ অনুষ্ঠানত গোলাপ চন্দ্ৰ বৰাৰ পৰিবাৰ খগমাই বৰা, 'অসম আবৃত্তি মঞ্চ'ৰপৰা প্ৰণৱ বৰপাত্ৰ গোহাঁই, ৰাজীৱ বল্লভ গোস্বামী, মানৱজ্যোতি বৰা, চয়নিকা বৰা নন্দীয়ে অংশগ্ৰহণ কৰে। আজি সমগ্ৰ অনুষ্ঠানটোৰ আঁতধৰে ডঃ গায়ত্ৰী বৰা কাকতিয়ে।

মাধ্যমত বহুলোকে বিৰূপ মন্তব্য প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। উন্নয়নত কোনো এখন চৰকাৰে গুৰুত্ব ...

## বিশাৰদ ডিগ্ৰী লাভ কৰা ৩০গৰাকী শিক্ষাৰ্থীক বিশেষ সম্বৰ্ধনা জ্ঞাপন

# বোকাখাতত আবৃত্তি শিক্ষণ কেন্দ্ৰ প্ৰয়াস কাব্য কাননৰ বৰ্ষপূৰ্তি অনুষ্ঠান



**বিশেষ বাৰ্তা, বোকাখাত, ২২ ডিচেম্বৰ ঃ** বোকাখাতত আবৃত্তি শিক্ষণ কেন্দ্ৰ প্ৰয়াস কাব্য কাননৰ দহ বছৰীয়া পূৰ্তিত কালি এক বিশেষ সভা আৰু আবৃত্তি অনুষ্ঠান অনুষ্ঠিত হয়। ২০১৫ চনতে বোকাখাত আৰু কমাৰগাঁৱত একত্ৰ স্থাপন হৈছিল আবৃত্তি শিক্ষণৰ অন্যতম কেন্দ্ৰ প্ৰয়াস কাব্য কাননৰ। কাননৰ দহ বছৰীয়া পূৰ্তিত কালি বোকাখাত জাতীয় বিদ্যালয় প্ৰাংগণত উপস্থিত হয় এই কেন্দ্ৰৰ পৰা শিক্ষা সমাপ্ত কৰা, বৰ্তমানেও ইয়াৰ শিক্ষাৰ্থী, বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু অন্যান্য গুণগ্ৰাহীসকল। বোকাখাত জাতীয় বিদ্যালয় প্ৰাংগণত ২০১৫ চনত আবৃত্তি ৰত্ন, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ শান্তিছায়া শইকীয়াৰ উপস্থিতিত আৰু আবৃত্তি ৰত্ন ড° গায়ত্ৰী বৰা কাকতিৰ নেতৃত্বত প্ৰয়াস কাব্য কাননে জন্মলাভ কৰিছিল। কমাৰগাঁও মহাবিদ্যালয়তো এই কাব্য কাননৰ এটা শাখা একেটা বৰ্ষতে মুকলি কৰি গত ১০ বছৰে নিৰৱচ্ছিন্ন পাঠদান আৰু ব্যৱহাৰিক প্ৰশিক্ষণ চলি আহিছে। কমাৰগাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° গায়ত্ৰী বৰা কাকতিক মুখ্য প্ৰশিক্ষক আৰু বোকাখাত জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ইনজু আহমেদক কেন্দ্ৰ সমন্বয়ক হিচাপে লৈ প্ৰতি ৰবিবাৰে বোকাখাত জাতীয় বিদ্যালয়ত আৰু প্ৰতি শনিবাৰে কমাৰগাঁও মহাবিদ্যালয়ত পদ্ধতিগত আবৃত্তি চৰ্চা চলি আহিছে। ইতিমধ্যে ৩০গৰাকী শিক্ষাৰ্থীয়ে ৭ বছৰীয়া আবৃত্তি পাঠ্যক্ৰমৰ অন্তত বিশাৰদ ডিগ্ৰী লাভ কৰিছে। কলকাতাৰ সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ অধীনত এই অনুষ্ঠানটো স্থাপিত। প্ৰয়াস কাব্য কানন আবৃত্তি শিক্ষণ কেন্দ্ৰৰ ১০ বছৰীয়া পূৰ্তিত কালিৰ অনুষ্ঠানৰ প্ৰথমে জুবিন গাৰ্গ, ড° ভূপেন হাজৰিকা আৰু আবৃত্তিপ্ৰাণ প্ৰয়াত গোলাপ চন্দ্ৰ বৰাৰ প্ৰতিচ্ছবিত প্ৰয়াস অধ্যয়ন চক্ৰৰ স্থায়ী সভাপতি নিজৰা বৰঠাকুৰ আৰু আনসকলে বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। ইয়াৰ পাছতে শিক্ষণ কেন্দ্ৰটোৰ কমাৰগাঁও মহাবিদ্যালয়, বোকাখাত জাতীয় বিদ্যালয়, ব্ৰহ্মপুত্ৰ জাতীয় বিদ্যালয়, ৰঙাগড়া, মহুৰামুখ জাতীয় বিদ্যালয়ৰ ডেৰ শতাধিক শিক্ষাৰ্থীয়ে কবিতা আবৃত্তিৰ অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানৰ এক অন্যতম কাৰ্যসূচী ড° গায়ত্ৰী বৰা কাকতিৰ পৰিচালনাত 'বোকাখাতৰ কবি' শীৰ্ষক এখন আলেখ্যত সমীৰ তাঁতী, নিজৰা বৰঠাকুৰ, পুতুল হাজৰিকা, দিলীপ ফুকন, ৰফিকুল হুছেইন, মৃদুল বৰুৱা, চেনীৰাম গগৈ, পুলিন শৰ্মা, অজিত গগৈ, জীৱন নৰহ আৰু বিমান দলেৰ কবিতাৰে আলেখ্য পৰিৱেশন কৰে। অনুষ্ঠানত আবৃত্তি বিষয়ক দুখন গ্ৰন্থ ক্ৰমে ড° গায়ত্ৰী বৰা কাকতিৰ 'পৰিৱেশ্য কলা আবৃত্তি' উন্মোচন কৰে কমাৰগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বিজুলী বৰচেতিয়াই আৰু গোলাপ চন্দ্ৰ বৰাৰ 'আবৃত্তি শিকোঁ আহা' গ্ৰন্থখন উন্মোচন কৰে শান্তিছায়া শইকীয়াই আৰু প্ৰয়াস কাব্য কাননৰ দহ বছৰ পূৰ্তিত প্ৰকাশিত এখন ১২ পৃষ্ঠাৰ ৰঙীন পুস্তিকা উন্মোচন কৰে গল্পকাৰ শিৱানন্দ কাকতিয়ে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক উদ্দেশ্যি আবৃত্তিকাৰ উপম শইকীয়াই আবৃত্তিৰ প্ৰায়োগিক দিশ সম্পৰ্কে আৰু পৰিৱেশ্য কলা হিচাপে আবৃত্তিক বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বিষয়ে নিজৰ ভাষণত গুৰুত্ব প্ৰদান কৰে।অনুষ্ঠানত আবৃত্তি শিক্ষণ কেন্দ্ৰটোৰ পৰা গত দহ বছৰত বিশাৰদ ডিগ্ৰী লাভ কৰা ৩০গৰাকী শিক্ষাৰ্থীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। কালিৰ অনুষ্ঠানত গোলাপ চন্দ্ৰ বৰাৰ পৰিবাৰ খগমাই বৰা, অসম আবৃত্তি মঞ্চৰ পৰা প্ৰণৱ বৰপাত্ৰগোহাঁই, ৰাজীৱ বল্লভ গোস্বামী, মানৱজ্যোতি বৰা, চয়নিকা বৰা নন্দীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আঁত ধৰে ড° গায়ত্ৰী বৰাকাকতিয়ে।

CS Scanned with CamScanner